# NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 31-10-2024 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে একতাৰ ভাৱনাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰি ৰাষ্ট্ৰীয় একতা ভংগ কৰাৰ প্ৰচেষ্টা চলোৱা বিভাজনকাৰী শক্তিসমূহৰ পৰা সাৱধানে হ'বলৈ সকলোৰে প্ৰতি আহ্বান জনাইছে।

২। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কৈছে যে ভাৰত আৰু চীনে প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাৰ কাষৰীয়া কেতবোৰ অঞ্চলৰ ক্ষেত্ৰত থকা মতানৈক্য সমাধানৰ বাবে কূটনৈতিক আৰু সামৰিক দুয়োটা পৰ্যায়তে আলোচনাত মিলিত হয়।

৩। সমগ্ৰ দেশতে আজি পোহৰৰ উৎসৱ দীপাৱলী পালন কৰা হৈছে। ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়ে দীপাৱলী উপলক্ষে দেশবাসীক ওলগ জনাইছে।

৪। কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনী, কেন্দ্ৰীয় আৰক্ষী সংস্থা আৰু বিভিন্ন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ মুঠ ৪৬৩ গৰাকী ব্যক্তিলৈ ২০২৪ বৰ্ষৰ কেন্দ্ৰীয় গৃহমন্ত্ৰী দক্ষতা পদক আগবঢ়োৱা হৈছে।

আৰু

৫। মল্লযুঁজত ভাৰতৰ মানসী আহলাৱটে ছিনিয়ৰ বিশ্ব চেম্পিয়নশ্বিপত ব্ৰঞ্জৰ পদক দখল কৰিছে।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি একতাৰ ভাৱনাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰি ৰাষ্ট্ৰীয় একতা ভংগ কৰাৰ প্ৰচেষ্টা চলোৱা বিভাজনকাৰী শক্তিসমূহৰ পৰা সাৱধান হ'বলৈ সকলোৰে প্ৰতি আহ্বান জনায়। গুজৰাটৰ কেৱৰিয়াত লৌহমানৱ চৰ্দাৰ বল্লভ ভাই পেটেলৰ জয়ন্তী উপলক্ষে আয়োজিত ৰাষ্ট্ৰীয় একতা দিৱসৰ সমাৰোহত জনসাধাৰণক সম্বোধন কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে অনাগত ২৫ বছৰত বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হ'বৰ বাবে ৰাষ্ট্ৰীয় একতা অত্যন্ত গুৰুত্বপূৰ্ণ। তেওঁ কয় যে বিগত ১০ বছৰত চৰকাৰে নিজৰ নীতি আৰু সিদ্ধান্তৰ জৰিয়তে 'এক ৰাষ্ট্ৰ'ৰ ভাৱনাক সদায় শক্তিশালী কৰি আহিছে।

-বাইট-

ৰাষ্ট্ৰীয় একতাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰি শ্ৰী মোদীয়ে কয় যে দেশৰ সন্মুখত এনে বহু প্ৰত্যাহ্বান আছে, যিসমূহে একতা আৰু নিৰাপত্তাৰ ক্ষেত্ৰত শংকাৰ সৃষ্টি কৰে। তেওঁ নাগৰিকসকলক এইক্ষেত্ৰত সদায় সজাগ হৈ থকাৰ লগতে ভাৰতৰ 'অনৈক্যৰ মাজত ঐক্য'ৰ ধাৰণাক আঁকোৱালি ল'বলৈ আহ্বান জনায়।

দেশৰ নতুন ইতিহাস ৰচনা কৰা হৈছে বুলি উল্লেখ কৰি শ্ৰী মোদীয়ে কয় যে গোলকীয় নেতৃত্ব হিচাপে ভাৰতৰ উত্থান ঘটিছে। তেওঁ কয় যে ভাৰত বৰ্তমান এখন প্ৰগতিশীল আৰু বিবেকশীল ৰাষ্ট্ৰ, যিয়ে অনিশ্চিত গোলকীয় পৰিস্থিতিৰ মাজতো দ্ৰুত বিকাশৰ পথত আগবাঢ়িছে। আনহাতে, দেশৰ একতা বজাই ৰখাৰ ক্ষেত্ৰত লৌহমানৱগৰাকীৰ অৱদানৰ কথা সুঁৱৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে চৰ্দাৰ পেটেলৰ ডেৰশ বছৰীয়া জয়ন্তী সমগ্ৰ দেশতে পৰৱৰ্তী দুটা বছৰলৈ পালন কৰা হ'ব।

ইয়াৰ পূৰ্বে পুৱাৰ ভাগত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে একতা নগৰৰ চৰ্দাৰ বল্লভ ভাই পেটেলৰ একতাৰ প্ৰতিমূৰ্তিত পুষ্পাৰ্ঘ্য নিবেদন কৰে। তেওঁ লগতে জনসাধাৰণক একতা দিৱসৰ সংকল্প পাঠো কৰোৱায় আৰু একতা দিৱসৰ কুচ-কাৱাজ প্ৰত্যক্ষ কৰে। এইবাৰৰ একতা দিৱসৰ পেৰেডত ৯ খন ৰাজ্য

আৰু এখন কেন্দ্ৰীয় শাসিত অঞ্চলৰ আৰক্ষী বাহিনী, চাৰিটা কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনী, এন চি চি আৰু মাৰ্চিং বেণ্ডকে ধৰি ১৬ টা গোটে অংশগ্ৰহণ কৰে। সীমান্ত সুৰক্ষা বাহিনীয়ে ভাৰতীয় সমৰকলা, ভাৰতীয় বায়ুসেনাৰ সূৰ্য কিৰণ গোটে বিমানেৰে আকাশত ক্ৰীড়া কৌশল প্ৰদৰ্শন কৰাৰ লগতে বিদ্যালয়ৰ কণ কণ শিক্ষাৰ্থীসকলে পাইপ্‌ড বেণ্ড প্ৰদৰ্শন কৰে।

ooooooo

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কৈছে যে ভাৰত আৰু চীনে প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাৰ কাষৰীয়া কেতবোৰ অঞ্চলৰ ক্ষেত্ৰত থকা মতানৈক্য সমাধানৰ বাবে কূটনৈতিক আৰু সামৰিক দুয়োটা পৰ্যায়তে আলোচনাত মিলিত হয়। এই আলোচনা অনুসৰি সম আৰু পাৰস্পৰিক নিৰাপত্তাৰ ভিত্তিত বহুলভাৱে সহমতত উপনীত হয়। শ্ৰী সিঙে ভাৰ্চুৱেল ব্যৱস্থাৰে টাৱাঙত আজি চৰ্দাৰ বল্লভ ভাই পেটেলৰ প্ৰতিমূৰ্তি আৰু মেজৰ ৰালেংনাও বব খাটিং 'সাহসৰ সংগ্ৰহালয়' উদ্বোধন কৰি এনেদৰে কয়। প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে কয় যে টাৱাঙত নিৰ্মাণ কৰা চৰ্দাৰ পেটেলৰ প্ৰতিমূৰ্তিয়ে একতাৰ শক্তি আৰু ভাৰতৰ দৰে বিবিধতাৰে পূৰ্ণ এখন ৰাষ্ট্ৰ নিৰ্মাণৰ বাবে প্ৰয়োজন হোৱা অদম্য সাহসৰ কথা জনসাধাৰণক সোঁৱৰাই দিয়াৰ ক্ষেত্ৰত অনুপ্ৰেৰণা যোগাব। শ্ৰী সিঙে উল্লেখ কৰে যে উত্তৰ-পূব খণ্ডৰ উন্নয়ন হ'লেহে দেশৰ সামগ্ৰিক বিকাশ সম্ভৱ হ'ব। চৰকাৰে এনে এখন উত্তৰ-পূৰ্বাঞ্চল নিৰ্মাণ কৰিব, যিখন কেৱল প্ৰাকৃতিক আৰু সাংস্কৃতিকভাৱে শক্তিশালী আৰু সমৃদ্ধই নহয়, বৰং আৰ্থিকভাৱেও উন্নত হ'ব বুলি শ্ৰী সিঙে মন্তব্য কৰে।

প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে কয় যে সেনা বাহিনীয়ে কেৱল সুৰক্ষা প্ৰদানেই নকৰে, বৰঞ্চ সীমান্ত এলেকাসমূহত জনসাধাৰণৰ সৈতে সহযোগ কৰি সেই খণ্ডসমূহৰ উন্নয়নৰ এটা মাধ্যম হিচাপেও কাম কৰে। তেওঁ কয় যে ইয়াৰ জৰিয়তে উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়ন, শান্তি আৰু নিৰাপত্তা নিশ্চিত কৰাৰ বাবে ভাৰতৰ দায়বদ্ধতা আৰু অধিক শক্তিশালী হৈ পৰিছে।

উল্লেখযোগ্য যে অসমৰ তেজপুৰৰ 4 Corps ৰ মুখ্য কাৰ্যালয়ৰ পৰা প্ৰতিৰক্ষা মন্ত্ৰী শ্ৰী সিঙে এই উদ্বোধনী কাৰ্যসূচী ৰূপায়ণ কৰে। তেওঁ আজি অৰুণাচল প্ৰদেশৰ টাৱাং ভ্ৰমণ কৰাৰ কথা আছিল যদিও প্ৰতিকূল বতৰৰ বাবে এই কাৰ্যসূচী বাতিল কৰা হয়। আজিৰ অনুষ্ঠানত গৱৰ্ণৰ অৱসৰপ্ৰাপ্ত লেফটেণেণ্ট জেনেৰেল কে টি পাৰনাইক, অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডু, কেন্দ্ৰীয় মন্ত্ৰী কিৰেণ ৰিজিজু, মণিপুৰৰ মুখ্যমন্ত্ৰী এন বীৰেণ সিঙৰ লগতে মেজৰ বব খাটিঙৰ পৰিয়ালৰ লগতে অন্যান্য ব্যক্তিসকল উপস্থিত থাকে।

ooooooooo

সমগ্ৰ দেশতে আজি পোহৰৰ উৎসৱ দীপাৱলী পালন কৰা হৈছে। এই উৎসৱ অশুভ শক্তিৰ বিৰুদ্ধে শুভ শক্তিৰ বিজয়ৰ প্ৰতীক। এই উপলক্ষে জনসাধাৰণে ধন, ঐশ্বৰ্য্যৰ অধিষ্ঠাত্ৰী দেৱী লক্ষ্মী আৰু ভগৱান গণেশৰ পূজা-অৰ্চনা কৰে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দীপাৱলী উপলক্ষে দেশবাসীক ওলগ জনাইছে। ৰাষ্ট্ৰপতি মুৰ্মুৱে এটা শুভেচ্ছা বাৰ্তাত কৈছে যে, দীপাৱলী আনন্দ-উৎসাহৰ উৎসৱ আৰু এই উৎসৱে অজ্ঞানতাৰ বিৰুদ্ধে জ্ঞান আৰু অশুভ শক্তিৰ বিৰুদ্ধে শুভ শক্তিৰ বিজয়ৰ কথাকে সূচায়। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে প্ৰদূষণ মুক্ত দীপাৱলী উদযাপন কৰিবলৈ আৰু এখন সুস্থ, সমৃদ্ধিশালী আৰু দায়িত্বশীল সমাজ গঢ়ি তোলাৰ বাবে সংকল্প গ্ৰহণ কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছে।

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে তেওঁৰ শুভেচ্ছা বাৰ্তাত কয় যে দীপাৱলী অকল ভাৰততে নহয়, বৰং বিশ্বৰ বিভিন্ন প্ৰান্তত বাস কৰা প্ৰৱাসী ভাৰতীয়সকলেও উৎসাহ-উদ্দীপনাৰে পালন কৰে। উপ-ৰাষ্ট্ৰপতিয়ে দীপাৱলীৰ পৱিত্ৰক্ষণত পোহৰৰ এই উৎসৱে ভাৰতৰ পথ পোহৰাই তুলিব আৰু দেশক একতা, সমৃদ্ধি আৰু অসীম প্ৰগতিৰ ভৱিষ্যতৰ দিশে আগুৱাই লৈ যাব বুলি আশা প্ৰকাশ কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দীপাৱলী উপলক্ষে দেশবাসীক শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত প্ৰধানমন্ত্ৰীয়ে জনসাধাৰণৰ সুস্বাস্থ্য, শান্তি আৰু সমৃদ্ধি কামনা কৰে। তেওঁ লগতে মা লক্ষ্মী আৰু প্ৰভূ শ্ৰী গণেশৰ আশীৰ্বাদ সকলোৰে শিৰত থকাটো কামনা কৰে।

০০০০০০০০০

———কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনী, কেন্দ্ৰীয় আৰক্ষী সংস্থা আৰু বিভিন্ন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ মুঠ ৪৬৩ গৰাকী ব্যক্তিক ২০২৪ বৰ্ষৰ কেন্দ্ৰীয় গৃহমন্ত্ৰী দক্ষতা পদক প্ৰদান কৰা হৈছে। বিশেষ অভিযান, তদন্ত, গোপন আৰু ফৰেণচিক বিজ্ঞান ক্ষেত্ৰত আগবঢ়োৱা উৎকৃষ্ট কাৰ্যক মান্যতা প্ৰদান কৰাৰ লগতে উচ্চ পেছাদাৰী মানৰ প্ৰসাৰ তথা বিষয়াসকলক উৎসাহিত কৰাৰ বাবে এই পদক প্ৰদান কৰা হয়। কেন্দ্ৰীয় গৃহ পৰিক্ৰমা মন্ত্ৰালয়ে চলিত বৰ্ষৰ ১ ফেব্ৰুৱাৰীত এই বঁটা প্ৰণয়ন কৰিছিল। মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি প্ৰতিবছৰে ৩১ অক্টোবৰত চৰ্দাৰ বল্লভ ভাই পেটেলৰ জয়ন্তীৰ লগত সংগতি ৰাখি এই পদকসমূহ ঘোষণা কৰা হ'ব।

০০০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি বোটাডৰ চালাংপুৰত অৱস্থিত কষ্টভঞ্জন হনুমানজী মন্দিৰৰ শ্ৰীগোপালানন্দ স্বামী যাত্ৰী ভৱন উদ্বোধন কৰে। ২০০ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা এই নতুন অতিথিশালাটোত ১১০০ কোঠাৰ লগতে সকলোধৰণৰ সুবিধা উপলব্ধ হ'ব। কাইলৈ তেওঁ আহমেদাবাদৰ পিড়ানাত ৰাজ্যখনৰ সৰ্ববৃহৎ আৱৰ্জনাৰ পৰা শক্তি উৎপাদন কেন্দ্ৰ উদ্বোধন কৰিব।

০০০০০০০০০

ভাৰতীয় ৰে'লৱেই উৎসৱৰ পৰিপ্ৰেক্ষিতত ৰে'ল যাত্ৰীসকলৰ সুবিধাৰ্থে সমগ্ৰ দেশতে বিশেষ ৰে'ল সেৱা চলাই আছে। প্ৰতিবছৰে ৰে'লত ভ্ৰমণ কৰা লাখ লাখ যাত্ৰীৰ যাতায়াতৰ সুবিধাৰ্থে ৰে'লৱেই এই বিশেষ ৰে'ল সেৱা চলাই আহিছে। বিগত বৰ্ষৰ তুলনাত এইবাৰ দুহেজাৰ ৮০০ খন বিশেষ ৰে'লৰ সংখ্যা লক্ষণীয়ভাৱে বৃদ্ধি পাইছে। যোৱা বছৰ এই সময়ত প্ৰায় ৪ হাজাৰ ৫০০ খন বিশেষ ৰে'ল চলাচলৰ ব্যৱস্থা কৰা হৈছে। আকাশবাণীৰ বাতৰিৰ সৈতে হোৱা কথা-বতৰাত দিল্লী বিভাগীয় ৰে'লৱে প্ৰৱন্ধক সুখবিন্দৰ সিঙে কয় যে উৎসৱৰ প্ৰতি লক্ষ্য ৰাখি যাত্ৰীসকলৰ বাবে ৰে'লত অসংৰক্ষিত দবাৰ সংখ্যা বৃদ্ধি কৰা হৈছে। তেওঁ লগতে বিগত বৰ্ষৰ তুলনাত অতিৰিক্ত ১২৩ খন নিয়মীয়া ৰে'ল চলাচল কৰোৱা হৈছে বুলিও জানিবলৈ দিয়ে।

০০০০০০০০০

দেশবাসীয়ে আজি প্ৰাক্তন প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীক স্মৃতি দিৱস উপলক্ষে শ্ৰদ্ধাৰে স্মৰণ কৰিছে। কংগ্ৰেছ নেতা ৰাহুল গান্ধীৰ লগতে দলটোৰ অন্যান্য জ্যেষ্ঠ নেতাসকলে দিল্লীৰ শক্তি স্থলত ইন্দিৰা গান্ধীক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ইন্দিৰা গান্ধী স্মাৰকটো এটা সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হয়। কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি সামাজিক মাধ্যমৰ এটা প'ষ্টত কয় যে ইন্দিৰা গান্ধীয়ে

দেশৰ ঐক্য আৰু অখণ্ডতা শক্তিশালী কৰাৰ ক্ষেত্ৰত আৰু প্ৰগতিশালী ভাৰত গঢ়ি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল।

০০০০০০০০০

———মল্লযুঁজত ভাৰতৰ মানসী আহলাৱটে আলবেনিয়াৰ টিৰানানত অনুষ্ঠিত ছিনিয়ৰ বিশ্ব চেম্পিয়নশ্বিপত মহিলাৰ ৫৯ কিলোগ্ৰাম শাখাত ব্ৰঞ্জৰ পদক লাভ কৰিছে। জাপানৰ ৰিছাকো কিনজোৱে স্বৰ্ণ পদক লাভ কৰাৰ লগতে মংগোলিয়াৰ চেৰেনচিমেড চুমীয়ে ৰূপৰ পদক দখল কৰিছে।

০০০০০০০০০

সমাপ্ত